# REGIONAL NEWS UNIT

## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-04-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

ooooooo

সাদিনীয়া ব'হাগ বিহুৰ তৃতীয় দিনটো আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত গোসাঁই বিহু হিচাপে পালন কৰা হৈছে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণৰ সমাগম হৈছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছে। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ ল'ব।

ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বশিষ্ঠ চাৰিআলিকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ বৰ্ডিং খেলপথাৰত আজি ত্ৰয়োদশ বাৰ্ষিক মুকলি বিহুৰ আয়োজন কৰা হৈছে। বিহুৰ পুৰণি পৰম্পৰা শ্ৰদ্ধা জনোৱাৰ লগতে নতুন প্ৰজন্মক এই পৰম্পৰাসমূহৰ সৈতে চিনাকী কৰাই দিয়াৰ বাবে এই বিহুৰ আয়োজন কৰা হৈছে। আজি দিনৰ ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ পাছত জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শনৰ লগতে কেইবাটাও হুচৰি দল আৰু গাভৰু  বিহু দলে নাচ পৰিৱেশন কৰিব। বিশিষ্ট শিক্ষাবিদ, লোকসংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়াই সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব। এই অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। সন্ধিয়া স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব।

ডিব্ৰুগড় জিলাৰ চৌকিডিঙি খেলপথাৰত কালি দিনজোৰা কাৰ্যসূচীৰে ব'হাগ আদৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জনতাৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে থলুৱা খেল ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে কমেও ২০ গৰাকী জ্যেষ্ঠ ব্যক্তিক সন্মান জনোৱা হয়। তদুপৰি ডিব্ৰুগড় সাহিত্য সভাই নিজৰ দিন উপলক্ষে কেইবাগৰাকীও

ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, অসম সাহিত্য সভাই কালি পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে পালন কৰি ৰাজ্যৰ বিভিন্ন স্থানত বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে।

ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক কালি সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ ঊৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হয়।

গুদালগুৰি জিলা সাহিত্য সভাৰ লগতে টংলা সাহিত্য সভাই কালি বৃহত্তৰ টংলা অঞ্চলৰ চন্দ্ৰপ্ৰভা দত্ত, নিভাৰাণী চক্ৰৱৰ্তী, অনন্ত দেৱ শৰ্মা, যতীন্দ্ৰ বৰ্মন আৰু ৰত্নেশ্বৰ বসুমতাৰী তেওঁলোকৰ বাসগৃহত বিহুৱান আৰু ওলগণি পত্ৰৰে ওলগ জনায়।

বাক্সা জিলাতো কালি পহিলা ব'হাগ উপলক্ষে অসম সাহিত্য সভাৰ নিজৰ দিন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০০

তিৱা জনগোষ্ঠীৰ বসন্তকালীন উৎসৱ চগ্ৰা মিছাৱা আৰু দেউৰীসকলৰ ইবাকু বিছু কালিৰে পৰা পালন কৰা হৈছে। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পাছৰটো বুধবাৰৰ পৰা জনগোষ্ঠী দুটাই পৰম্পৰাগতভাৱে এই বসন্তকালীন উৎসৱ পালন কৰে।

চগ্ৰা মিছাৱা তিৱাসকলৰ কৃষিভিত্তিক উৎসৱ। ইয়াত চগ্ৰা মানে সকলো মিছাৱা হৈছে সামূহিক নৃত্য। কৃষিকাৰ্য আৰম্ভণি কৰাৰ আগেয়ে জনগোষ্ঠীটোৱে আই বসুমতিৰ আশীৰ্বাদ কামনা কৰি এই উৎসৱ পালন কৰে। জনগোষ্ঠীটোৰ বিভিন্ন গাঁৱত ইয়াৰ পালন ৰীতিৰ কিঞ্চিৎ ভিন্নতা দেখা যায়।

ইফালে, দেউৰীসকলৰ বসন্তকালীন উৎসৱ ইবাকু বিছুও কালিৰে পৰা ৭ দিনীয়াকৈ পালন কৰা হৈছে। দেওঘৰত কালি এই উপলক্ষে বিশেষ উপাসনা কৰা হয়। উপাস্য দেৱতা কুণ্ডিমামা, পিচাদেমা, পিচাচি দেমাচিকে ধৰি বিভিন্ন উপাস্য দেৱ-দেৱীসকললৈ উছৰ্গা আগবঢ়াই ডেকা-গাভৰুসকলে সামাজিক স্থানত লোক নৃত্য-গীতৰ পৰিৱেশন কৰে। সাতদিনীয়া বিছু পালনৰ পাছত শেষৰ দিনটোত বিছু উৰুৱাবা পালন কৰি এই উৎসৱৰ সামৰণি মৰা হ'ব।

বড়ো জনগোষ্ঠীৰ লোকসকলে চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা পালন কৰা বৈশাগু উপলক্ষে কালি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গায়।

তামুলপুৰ জিলা সদৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত কালি উলহ-মালহেৰে ৰংজালি বৈশাগু উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ চহকী পৰম্পৰা অনুসৰি এই পবিত্ৰ দিনটোত কনিষ্ঠজনে জ্যেষ্ঠজনৰ পৰা আশিস গ্ৰহণ কৰাৰ লগতে পৰস্পৰৰ মাজত সমন্বয়ৰ বাৰ্তা বিলোৱাৰ প্ৰচেষ্টা হাতত লোৱা হয়।

কোকৰাঝাৰ জিলাৰ বাগানশালীৰ বাথৌথানশালীতো কালি ৰংজালি বৈশাগু উপলক্ষে বাথৌ আৰোজ অনুষ্ঠিত কৰা হয়। ভক্তসকলে বড়ো সম্প্ৰদায়ৰ আৰাধ্য দেৱতা বাথৌ বাউৰেৰ বেদীত প্ৰাৰ্থনা কৰি বিশ্বশান্তি, সমৃদ্ধি আৰু সমাগত বছৰটোৰ বাবে আশীৰ্বাদ বিচাৰে।

বাক্সা জিলাতো সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০

**সমাপ্ত**